# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। সংসদৰ বাজেট অধিবেশনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হোৱাৰ পাছতেই বিৰোধী পক্ষৰ প্ৰতিবাদক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সদন স্থগিত ৰাখিবলগীয়া হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি হাৰিয়ানাত উপস্থিত হৈছে।

৩। অসম বিধানসভাত আজি বিত্তমন্ত্ৰী অজন্তা নেওগে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰে।

৪। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে, গংগাৰ পানী লেতেৰা হোৱা নাই বুলি নিশ্চিতি প্ৰদান কৰিছে।

আৰু

৫। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আই চি চি চেম্পিয়নছ ট্ৰফীৰ খিতাপ অৰ্জন কৰা ভাৰতৰ ক্ৰিকেট দললৈ অভিনন্দন জ্ঞাপন কৰিছে।

ooooooo

সংসদৰ বাজেট অধিবেশনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হোৱাৰ পাছতেই বিৰোধী পক্ষৰ প্ৰতিবাদক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সদন স্থগিত ৰাখিবলগীয়া হয়। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পি এম শ্ৰী আঁচনি সন্দৰ্ভত প্ৰকাশ কৰা বক্তব্যৰ বিৰুদ্ধে ডি এম কে আৰু কংগ্ৰেছৰ সাংসদসকলে প্ৰতিবাদ জনায়। ৪ এপ্ৰিললৈ চলিবলগীয়া এই অধিবেশনত ২০ খন বৈঠক অনুষ্ঠিত হ'ব।

বাজেট অধিৰেশনৰ প্ৰথম পৰ্যায় ৩১ জানুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হৈছিল। অধিৰেশনৰ আৰম্ভণিতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দিয়াৰ পাছত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে অধিৰেশনৰ প্ৰথম পৰ্যায়ত পহিলা ফেব্ৰুৱাৰীত কেন্দ্ৰীয় বাজেট উত্থাপন কৰে।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আই চি চি চেম্পিয়নছ ট্ৰফীৰ খিতাপ অৰ্জন কৰা ভাৰতৰ ক্ৰিকেট দললৈ অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে বিশ্বৰ একমাত্ৰ দলৰূপে ভাৰতে তৃতীয়বাৰলৈ চেম্পিয়নছ ট্ৰফীত চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছে। এই কৃতিত্বৰ বাবে খেলুৱৈ তথা দলৰ ব্যৱস্থাপক, সহযোগী-সকলো সৰ্বোচ্চ প্ৰশংসাৰ দাবীদাৰ।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ এই জয়ক অসাধাৰণ অভিহিত কৰি প্ৰতিযোগিতাখনত দলটোৱে অতি সুন্দৰ প্ৰদৰ্শন কৰা বুলি প্ৰকাশ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও এই জয় ঐতিহাসিক বুলি মন্তব্য কৰি ভাৰতৰ ক্ৰিকেট দলক অভিনন্দন জনায়। ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, মনসুখ মন্দাভিয়া, জীতেন্দ্ৰ সিং আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথেও ৰোহিত শৰ্মা নেতৃত্বাধীন চেম্পিয়ন দলটোলৈ অভিনন্দন জ্ঞাপন কৰে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খৰ্গেই দলটোলৈ শুভেচ্ছা জনাই এই বিজয়ে ১৪০ কোটি ভাৰতীয় গৰ্বিত কৰা বুলি উল্লেখ কৰে।

০০০০০০০

অসম বিধানসভাত আজি বিত্তমন্ত্ৰী অজন্তা নেওগে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰে। এই বাজেটে নতুন অসম গঢ়াত বিশেষ ভূমিকা ল'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে সদনত প্ৰৱেশ কৰাৰ পূৰ্বে সাংবাদিকক জানিবলৈ দিয়ে। ২০২৪-২৫ বৰ্ষৰ বাজেটৰ মুঠ ব্যয় ১ লাখ ৪১ হাজাৰ ৫২৯ কোটি টকা ধাৰ্য কৰা হৈছে।

কোনোধৰণৰ অতিৰিক্ত কৰ আৰোপ নকৰাকৈ ৬২০ কোটি ২৭ লাখ টকাৰ ঘাটি বাজেটখন বিধানসভাত দাখিল কৰি শ্ৰীমতী নেওগে কয়, যে ২০২৩-২৪ বিত্তীয় বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯ শতাংশ আৰু জনমূৰি আয় ১৮ শতাংশলৈ বৃদ্ধি পাইছে। এডভান্টেজ আছামৰ দ্বিতীয় সংস্কৰণে অসমক প্ৰগতিৰ বাট মুকলি কৰি দিয়া বুলি উল্লেখ কৰি তেওঁ কয়, যে ৰাজ্যখনত স্থায়ী শান্তি স্থাপনৰ ক্ষেত্ৰত চৰকাৰ সফল হৈছে। কেন্দ্ৰৰ পৰা অসমে ১৮ হাজাৰ ৫০০ কোটি টকাৰ সাহায্য লাভ কৰিছে বুলি প্ৰকাশ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰে। তেওঁ কয়, যে অসমত প্ৰতিদিনে ১৩ কিলোমিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ পকী পথ আৰু প্ৰায় এখনকৈ পকী দলং নিৰ্মাণ কৰি আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত চৰকাৰে উল্লেখনীয় সাফল্য লাভ কৰিছে। ছফ্‌ট পাৱাৰৰ ক্ষেত্ৰতো অসমে উদীয়মান ৰাজ্য হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি তেওঁ চৰাইদেউ মৈদামে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰা, অসমীয়া ভাষালৈ ধ্ৰুপদী ভাষাৰ মৰ্যাদা আৰু নিউয়ৰ্ক টাইম্‌ছৰ ২০২৫ বৰ্ষত ভ্ৰমণ কৰিবলগীয়া ৫২ টা নিৰ্বাচিত স্থানৰ তালিকাত অসমে শীৰ্ষৰ চতুৰ্থটো স্থান লাভ কৰা সন্দৰ্ভতো বিত্তমন্ত্ৰী অজন্তা নেওগে উল্লেখ কৰে। তেওঁ কয়, যে ৭০ লাখতকৈও অধিক পৰিয়ালক পৰিয়াল পৰিচয় পত্ৰ প্ৰদানেৰে চৰকাৰে ২ কোটি ৪৫ লাখ ব্যক্তিক প্ৰধানমন্ত্ৰী গৰীব কল্যাণ যোজনাৰ আওতালৈ আনিবলৈ সমৰ্থ হৈছে।

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনিসমূহৰ বাবে এইবেলি বাজেটত ৫ হাজাৰ কোটি টকা আছুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰা হৈছে। এইবাৰৰ বাজেটত ৰেচন কাৰ্ডৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিটো পৰিয়াললৈ মাহে ১ কিলোগ্ৰামকৈ ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনি আৰু নিমখ যোগান ধৰাৰ বাবে প্ৰস্তাৱ কৰা হৈছে। মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে প্ৰতিগৰাকী হিতাধিকাৰীলৈ ঋণৰ ব্যৱস্থা লোৱা হৈছে বুলি উল্লেখ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিখন অহা ১ এপ্ৰিলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিহালী বিধানসভা সমষ্টিত আনুষ্ঠানিকভাৱে মুকলি কৰিব। বিধৱা পেঞ্চনৰ হিতাধিকাৰীৰ সংখ্যা পূৰ্বৰ ২৮ লাখৰ পৰা ৩৭ লাখ ২০ হাজাৰলৈ বৃদ্ধি কৰা হ'ব। তদুপৰি নিযুত মইনা আঁচনিৰ জৰিয়তে উপকৃত হ'বলগীয়া ছাত্ৰীৰ সংখ্যা ৪ লাখ ২০ হাজাৰলৈ বৃদ্ধি হ'ব বুলিও বিত্তমন্ত্ৰীগৰাকীয়ে বাজেট ভাষণত উল্লেখ কৰে। এইবাৰৰ বাজেটত গোলাঘাটৰ পাণবাৰীত ৫০০ কোটি টকা ব্যয়েৰে এটা বুৰঞ্জী সংগ্ৰহালয় নিৰ্মাণৰ প্ৰস্তাৱ কৰা হৈছে। তদুপৰি অসমীয়া মানুহৰ ইতিহাস প্ৰকাশৰ পদক্ষেপ গ্ৰহণ কৰি ৰাজ্যৰ বিদ্যালয়সমূহত অহা এপ্ৰিলৰ পৰা এই বিষয়টো বাধ্যতামূলক কৰা আৰু গুৱাহাটীত এটা প্ৰ'টন থেৰাপি কেন্দ্ৰ স্থাপনকে ধৰি ভালেমান বিষয়ত বাজেটত প্ৰস্তাৱ লোৱা হৈছে।

১০৯ পৃষ্ঠাৰ এই বাজেটখনেই হ'ব ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰৰ ৫ বছৰীয়া কাৰ্যকালৰ অন্তিমখন পূৰ্ণাংগ বাজেট। বিকশিত অসমৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে কৃষক, দৰিদ্ৰ শ্ৰেণী, যুৱ প্ৰজন্ম আৰু মহিলা সৱলীকৰণৰ দৰে বিষয়সমূহত এই  বাজেটত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

বাজেট দাখিলৰ পূৰ্বে প্ৰশ্নোত্তৰ পৰ্বৰে বিধানসভাৰ কাম-কাজ আৰম্ভ হয়। বিধায়ক কমলাক্ষ দে' পুৰকায়স্থই আধাৰ বঞ্চিত নাগৰিকৰ বাবে আধাৰ কাৰ্ডৰ ব্যৱস্থা কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কি পদক্ষেপ লৈছে, সেই বিষয়ে প্ৰশ্ন উত্থাপন কৰে। বিধায়ক শ্ৰী পুৰকায়স্থৰ উত্তৰত গৃহ বিভাগৰো দায়িত্বত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে

অসমৰ প্ৰত্যেক জিলাৰ আধাৰ কেন্দ্ৰসমূহত আধাৰ লাভৰ ব্যৱস্থা আছে। অসমত চলিত বৰ্ষৰ জানুৱাৰীলৈকে ৯৬ দশমিক ৯ - ৭ শতাংশ লোকে আধাৰ লাভ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। অসমত থকা বাংলাদেশীৰ সংখ্যা ২০২১ চনৰ পৰা ২০২৪ চনলৈ ১৫৬ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে, যে ইয়াৰে ২০২১ চনত ৫১ জন, ২০২২ চনত ৫৭, ২০২৩ চনত ২২ আৰু ২০২৪ চনত ২৬ জন বাংলাদেশীক চিনাক্ত কৰা হৈছে। নাগৰিকত্ব বিষয়ত উত্থাপিত এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, যে এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ। লোকপিয়ল সঞ্চালকালয়ৰ পৰা পোৱা তথ্য মতে নাগৰিকত্ব সংশোধনী আইন প্ৰৱৰ্তন হোৱা দিনৰ পৰা এতিয়ালৈ অসমত বাস কৰা মুঠ ৩৯ জন লোকে এই আইনৰ অধীনত নাগৰিকত্বৰ বাবে আবেদন কৰিছে।  আবেদনকাৰীসকলৰ মাজৰ পৰা এতিয়ালৈকে দুগৰাকীক নাগৰিকত্ব প্ৰদান কৰা হৈছে আৰু ১৮ খন আবেদন বিচাৰাধীন হৈ আছে।

বিধায়ক জাকিৰ হুছেইন শিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত  ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছাই কয়, যে ক্ৰীড়া আন্তঃগাঁথনিৰ সৈতে জড়িত সকলো বিষয় লোকনিৰ্মাণ বিভাগক গতাই দিয়া হৈছে। চৰকাৰৰ উত্তৰণ আঁচনিৰ অধীনত লোকনিৰ্মাণ বিভাগৰ জৰিয়তে ৰাজ্যখনৰ বিভিন্ন জিলাত নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱা আৰু নিৰ্মীয়মান অৱস্থাত থকা ৩০ টা প্ৰকল্পৰ কথা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তদুপৰি তেওঁ কয়, যে অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ অধীনত ৰাজ্যখনৰ ৪০ টা সমষ্টিৰ প্ৰতিটোতে ১২ কোটি টকা ব্যয়সাপেক্ষে এখনকৈ মিনি ষ্টেডিয়াম নিৰ্মাণৰ অভিলাষী আঁচনি বাস্তৱায়িত কৰাৰ বাবে যাৱতীয় পদক্ষেপ লোৱা হৈছে। ৰাজ্যখনৰ ১১ খন জিলাৰ প্ৰতিখনতে ৫০ কোটি টকা ব্যয়সাপেক্ষে এখনকৈ জিলা ষ্টেডিয়াম নিৰ্মাণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooooooo

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে, গংগাৰ পানী লেতেৰা হোৱা নাই বুলি নিশ্চিতি প্ৰদান কৰিছে। সংসদৰ বাহিৰত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী পাটিলে কয়, যে গংগাৰ পানী লেতেৰা বুলি একাংশ লোকে ভুল বুজাবুজিৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। মহাকুম্ভ ২০২৫ৰ সময়ত গংগাৰ পানী লেতেৰা হৈছে বুলি কেইবাগৰাকীও সাংসদে উল্লেখ কৰা বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **অনলাইন বিত্তীয় প্ৰৱঞ্চনা** সন্দৰ্ভত ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয়ক কেন্দ্ৰৰ সঞ্চালক নিশান্ত কুমাৰ আৰু দিল্লী আৰক্ষীৰ বিশেষ কোষৰ যুটীয়া আয়ুক্ত ৰাজনীশ গুপ্তাৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১-২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি বিত্তীয় প্ৰৱঞ্চকক চিনাক্ত কৰাৰ লগতে তেওঁলোকৰ বিৰুদ্ধে ক'ত অভিযোগ দাখিল কৰিব পাৰি লগতে এনে প্ৰৱঞ্চনাক কিদৰে এৰাই চলিব পাৰি সেই সন্দৰ্ভত সমল ব্যক্তিসকলক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে হোৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মৰিচাছৰ ৰাষ্ট্ৰীয় দিৱসত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া দুদিনীয়া মৰিচাছ ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীগৰাকীয়ে সমূহীয়া অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। মৰিচাছত থকা প্ৰবাসী ভাৰতীয়সকল এই অনুষ্ঠানত উপস্থিত থাকিব। মৰিচাছত সংস্কৃত বিদ্যালয় পৰিচালনা কৰা সবিতা তিৱাৰীয়ে কয়, যে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ভাৰত আৰু মৰিচাছৰ মাজৰ সম্পৰ্কত মাইলৰ খুঁটিত পৰিণত কৰাব।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আই চি চি চেম্পিয়নছ ট্ৰফীৰ খিতাপ অৰ্জন কৰা ভাৰতৰ ক্ৰিকেট দলক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে বিশ্বৰ একমাত্ৰ দলৰূপে ভাৰতে তৃতীয়বাৰলৈ চেম্পিয়নছ ট্ৰফীত চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ এই জয়ক অসাধাৰণ অভিহিত কৰি প্ৰতিযোগিতাখনত দলটোৱে অতি সুন্দৰ প্ৰদৰ্শন কৰা বুলি প্ৰকাশ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও এই জয় ঐতিহাসিক বুলি মন্তব্য কৰি ভাৰতৰ ক্ৰিকেট দলক অভিনন্দন জনায়। আনহাতে আই চি চি চেম্পিয়নছ ট্ৰফীৰ খিতাপ অৰ্জন কৰি ভাৰতৰ অধিনায়ক ৰোহিত শৰ্মা দেশৰ দ্বিতীয় সফল অধিনায়কত পৰিগণিত হৈছে।

০০০০০০০

সমাপ্ত